**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-07-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

গোলাঘাটৰ ধনশিৰি নৈ আজিও বিপদসীমাৰ ওপৰেৰে বৈ আছে। বাঢ়নী পানীৰ ফলত জিলাখনৰ গোলাঘাট, মৰঙি, খুমটাই, বোকাখাত আৰু সৰুপথাৰ ৰাজহ চক্ৰৰ প্ৰায় শতাধিক গাঁও প্লাৱিত হৈছে। জিলাখনৰ প্ৰায় ২০ সহস্ৰাধিক লোক বানত ক্ষতিগ্ৰস্ত হৈছে। আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি জিলাখনৰ বিভিন্ন স্থানত মুঠ ২৮টা শিবিৰ স্থাপন কৰা হৈছে। বানত উটি অহা জিলাখনৰ শিঙিমাৰী গাঁৱৰ মংলু ভূমিজ নামৰ লোকগৰাকীৰ মৃতদেহ কালি উদ্ধাৰ কৰা হয়। জিলাখনৰ বান পৰিস্থিতি তদাৰক কৰাৰ বাবে মন্ত্ৰী অজন্তা নেওগে গোলাঘাটত বাহৰ পাতিছে। মন্ত্ৰীগৰাকীয়ে কালি জিলা আৱৰ্ত ভৱনত জিলা আয়ুক্ত আৰু প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হৈ বানত আক্ৰান্ত লোকসকলৰ মাজত যাৱতীয় সাহায্য-সামগ্ৰী বিতৰণ কৰাৰ নিৰ্দেশ দিয়ে। বৈঠকত বানত আক্ৰান্ত আঞ্চলৰ লোকসকলৰ স্বাস্থ্য পৰীক্ষাতো গুৰুত্ব আৰোপ কৰা হয়।

ইপিনে বোকাখাত সমজিলাতো প্ৰায় ১০ খন গাঁও বানৰ কবলত পৰাৰ বাতৰি আহিছে। ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰাই কালি বাউৰী গাঁও, ধোদাং, পশ্চিম ধোদাং, তৰুণনগৰ, বচাপথাৰ, পাৰঘাট আদি অঞ্চলকে ধৰি ধনশিৰি নৈৰ বাঢ়নী পানীয়ে প্লাৱিত কৰা ঠাইসমূহলৈ গৈ পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি বানপীড়িত ৰাইজৰ সৈতে মত বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰশাসনৰ তৰফৰ পৰা ৰাইজলৈ সম্ভৱপৰ সকলো ধৰণৰ সাহায্য প্ৰদান কৰাৰ বাবে বিষয়া-কৰ্মচাৰীসকলক নিৰ্দেশ দিয়ে।

নেৰানেপেৰা বৰষুণৰ ফলত নগাঁও জিলাৰ কামপুৰ আৰু কঠিয়াতলী অঞ্চলো বানৰ কবলত পৰিছে। কপিলীৰ উপনৈ দিশাৰী আৰু যমুনা নৈৰ বাঢ়নী পানীত ন ন অঞ্চলত প্লাৱিত হোৱাৰ বাতৰি আহিছে। কঠিয়াতলীৰ বিলচাআটী-কঠালগুৰি আৰু ম'হগড়-তেপৰআটী সংযোগী পথৰ ওপৰেৰে পানী বাগৰাত বৰ্তমান পথটোৰে যাতায়াত ব্যাহত হৈ পৰিছে।

০০০০০০

অসম চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস তথা সংস্কৃতি বিভাগৰ পৃষ্ঠপোষকতাত আৰু ৰাজ্যৰ সংগ্ৰহালয় সঞ্চালকালয় তথা ঢকুৱাখনা মহাবিদ্যালয়ৰ সহযোগিতাত আজিৰেপৰা অহা ১০ আগষ্টলৈ গুৱাহাটীস্থিত অসম ৰাজ্যিক সংগ্ৰহালয়ৰ দ্বিতীয় মহলাত থকা বিশেষ প্ৰদৰ্শনী প্ৰেক্ষাগৃহত 'মুগাঃ অসমৰ সোণালী সূতা, ঢকুৱাখনাৰ গৌৰৱ' শীৰ্ষক এখন প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। প্ৰদৰ্শনীত ঢকুৱাখনাৰ মুগা শিল্পৰ কলাত্মক উপস্থাপন কৰা হ'ব। আজি পুৱা চাৰে ১১ বজাত অসম ৰাজ্যিক সংগ্ৰহালয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত প্ৰদৰ্শনী উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি ৰাজ্যৰ সংগ্ৰহালয়সমূহৰ সঞ্চালকে প্ৰকাশ কৰিছে।

০০০০০০

সংগীত সত্ৰ গুৱাহাটীৰ উদ্যোগত আৰু অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত কালি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত সপ্তদশ ৰসেশ্বৰ শইকীয়া বৰবায়ন সত্ৰীয়া বঁটা, ২০২৫ প্ৰদান কৰা

হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই পণ্ডিত ৰাজেন্দ্ৰ গংগানি আৰু কৰুণাধৰ শৰ্মাক ভাৰতীয় শাস্ত্ৰীয় নৃত্য আৰু সংগীতলৈ আগবঢ়োৱা অনবদ্য অৰদানৰ বাবে এই বঁটা প্ৰদান কৰে। এই উপলক্ষে দিয়া ভাষণত ৰাজ্যপালগৰাকীয়ে সত্ৰীয়া সংস্কৃতিৰ প্ৰতি প্ৰদৰ্শন কৰা অভূতপূৰ্ব নিষ্ঠা আৰু অসমৰ আধ্যাত্মিক আৰু কলাত্মক ঐতিহ্যৰ ক্ষেত্ৰলৈ ৰসেশ্বৰ শইকীয়া বৰবায়নৰ অনবদ্য অৰদানৰ কথা স্মৰণ কৰে। ৰসেশ্বৰ শইকীয়াৰ জন্ম বাৰ্ষিকীৰ লগত সংগতি ৰাখি আয়োজন কৰা এই অনুষ্ঠানত বিশিষ্ট বাঁহীবাদক তথা পদ্মবিভূষণ সন্মানেৰে বিভূষিত পণ্ডিত হৰিপ্ৰসাদ চৌৰাছিয়া, বিশিষ্ট সত্ৰীয়া নৃত্য শিল্পী পদ্মভূষণ সন্মানেৰে বিভূষিত যতীন গোস্বামী, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ আৰু সংগীত সত্ৰৰ অধ্যক্ষ স্বপ্ননীল বৰুৱা উপস্থিত থাকে। অনুষ্ঠানত সংগীত-নাটক একাডেমী বঁটাপ্ৰাপক মোহিনী আট্টম নৃত্য শিল্পী গোপীকা বাৰ্মা আৰু সত্ৰীয়া নৃত্যশিল্পী গায়ত্ৰী কোঁৱৰে নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানত সংগীত সত্ৰৰ ছাত্ৰ-ছাত্ৰীসকলেও খোলবাদন, বৰগীত আৰু নৃত্য পৰিশেন কৰে। আজি সন্ধিয়া সংগীত সত্ৰৰ বাৰ্ষিক নৃত্য-গীতৰ উৎসৱত এই বছৰৰ বাবে তন্ময় বৰদলৈ সোঁৱৰণী সংগীত ভাস্বৰ সন্মান সত্ৰীয়া আৰু ওডিচী নৃত্য শিল্পী গীতিকা দত্তক প্ৰদান কৰা হ'ব।

০০০০০০

ৰাজ্যৰ চাহ জনজাতি আৰু আদিবাসী কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাই কালি চৰাইদেউ জিলা আয়ুক্ত কাৰ্যালয়ত জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগৰ কাম-কাজ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ চাহ বাগিচাসমূহত শ্ৰম বিভাগ আৰু বাগিচা কৰ্তৃপক্ষই কৰি থকা কামসমূহৰ বুজ লয়। তেওঁ বিভাগীয় বিষয়া আৰু বাগিচা কৰ্তৃপক্ষক প্ৰয়োজনীয় নিৰ্দেশো জাৰি কৰে। শ্ৰী গোৱালাই চাহ জনগোষ্ঠীয় দল-সংগঠনৰ প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হৈ তেওঁলোকৰ সমস্যা সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰে। তেওঁ জিলাখনৰ উন্নয়নৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে। এই বৈঠকত সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰো উপস্থিত আছিল।

০০০০০০

ধৰ্‌তি আবা জন অংশগ্ৰহণ অভিযানৰ অধীনত ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত কালি সমন্বয় সেঁতু আদৰ্শ মণ্ডল পৰ্যায়ৰ সংগঠনৰ এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সহযোগত আয়োজিত এই প্ৰতিযোগিতাত জনসাধাৰণৰ সচেতনতা বৃদ্ধি আৰু সামুহিক অংশগ্ৰহণত উৎসাহিত কৰাৰ প্ৰয়াস কৰা হয়। অনুষ্ঠানত কমেও ৩০ গৰাকী আত্মসহায়ক গোটৰ সদস্যাই অংশগ্ৰহণ কৰে।

০০০০০০

সমাপ্ত